৩ পৃষ্ঠাত ৪ পৃষ্ঠাত ১০ পৃষ্ঠাত

# অসম আদিত্য

ভাদ, ১৯৪৭ শক ■ বৃহস্পতিবাৰ, ১১ ছেপ্টেম্বৰ, ২০২৫ ■ Asom Aditya, Dibrugarh, Thursday, September 11, 2025 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটি

## ...ষ্ঠান কুইজত ...বিদ্যালয় শ্ৰেষ্ঠ

ঃ সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ...তিযোগিতা অনুষ্ঠিত হয়। অনুষ্ঠানটি ...্যক্ষ প্ৰসন্ন দিহিঙীয়াই বন্তি প্ৰজ্বলন ...ৰে খোৱাং মহাবিদ্যালয়ৰ ইংৰাজী ...তয়াই। ভৈৰৱ চাউদাঙে পৰিচালনা ...থম স্থান লাভ কৰে ডিব্ৰুগড়ৰ লিটল ...ৰ্ণা নেওগে। দ্বিতীয়ত ৰ'জ ভেলী ...ৰু মুহিধৰ গগৈয়ে, তৃতীয় স্থান লাভ ...হাৰ ফুকনে। স্থান প্ৰাপ্ত প্ৰতিযোগীক ... বিদ্যালয়ৰে শিক্ষক ক্ৰমে ভাস্কৰ অৰুন্ধতী চাংমাই আৰু ত্ৰৈলোক্য ...ওগে পৰিচালনা কৰা ভূপেন হাজৰিকা ...গড় বিশ্ববিদ্যালয়ৰ বিভূতি মহন আৰু ...বুৱাৰ সাগৰ শৰ্মা আৰু নন্দিতা চাহুৰ ...াডেমীৰ প্ৰাৰ্থনা বৰুৱা আৰু কৃষ্ণাভ ...য়ৰ শিক্ষক খঞ্জুমণি বড়া, গৌৰী গগৈ প্ৰতিযোগিতাৰ বিজয়ী দ'লটিক নগদ প্ৰাক্তন উপাধ্যক্ষ হৰেণ ডেকাবৰুৱাৰ এক সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়।

# ডিব্ৰুগড়ক সাহিত্য মহানগৰ হিচাপে গঢ়ি তোলাৰ প্ৰস্তাৱ মৈত্ৰীবন্ধন উপ-সমিতিৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, ১০ ছেপ্টেম্বৰ ঃ** ডিব্ৰুগড়কে ধৰি অসমৰ আন কেইবাখনো মহানগৰক অসমৰ সাহিত্য মহানগৰ হিচাপে গঢ়ি তুলিবলৈ অসম সাহিত্য সভাৰ আন্তঃৰাজ্য বিদেশ মৈত্ৰীবন্ধন উপ-সমিতিৰ গুৰুত্বপূৰ্ণ সভাত এক প্ৰস্তাৱ গ্ৰহণ কৰা হয়। ৯ ছেপ্টেম্বৰৰ নিশা অনলাইন মাধ্যমত অনুষ্ঠিত এক সভাত উপ-সমিতিৰ বিভিন্ন কাম-কাজৰ পৰিকল্পনা, আঁচনি সম্পৰ্কত বিষদ আলোচনা কৰা হয়। সাহিত্য মানেই হ'ল মিলন, সংযোগ, মৈত্ৰী। সেয়ে যুগে যুগে সাহিত্যই সকলো জাতি-জনগোষ্ঠী, সম্প্ৰদায়, ধৰ্মৰ মানুহক একত্ৰিত কৰি আহিছে। ভিন্ন জাতি, ধৰ্ম, বৰ্ণৰ মানুহক সাহিত্য-সংস্কৃতিৰ মাজেদি সম্পৰ্কৰ বান্ধোন কটকটীয়া কৰি তুলিব পাৰি। সেয়ে অসম সাহিত্য সভাৰ অন্যতম গুৰুত্বপূৰ্ণ উপ-সমিতি আন্তঃৰাজ্য বিদেশ মৈত্ৰীবন্ধন উপ-সমিতিয়ে অসমৰ ডিব্ৰুগড়কে ধৰি শিৱসাগৰ, নগাঁও, বৰপেটা আদি কেইখনমান নগৰ, মহানগৰক সাহিত্যৰ নগৰ হিচাপে ঘোষণা কৰিবলৈ অসম সাহিত্য সভাৰ কেন্দ্ৰীয় সমিতিৰ অনুমোদনৰ বাবে এক প্ৰস্তাৱ গ্ৰহণ কৰে। অসম সাহিত্য সভাৰ কেন্দ্ৰীয় সমিতিয়ে উক্ত প্ৰস্তাৱত সন্মতি জনোৱাৰ লগে লগে অসমৰ ডিব্ৰুগড়কে ধৰি কেইবাখনো নগৰ, মহানগৰ সাহিত্যৰ নগৰ হিচাপে পৰিচিত হৈ পৰিব। এই সম্পৰ্কে অনুষ্ঠিত হোৱা সভাত অসম সাহিত্য সভাৰ কেন্দ্ৰীয় সমিতিৰ অনুমোদনৰ বাবে শীঘ্ৰেই উক্ত প্ৰস্তাৱ প্ৰেৰণ কৰিব বুলি জানিব পৰা গৈছে। উপ-সমিতিৰ আহ্বায়ক, বিশিষ্ট লেখক, কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই পৰিচালনা কৰা সভাখনত উপ-সমিতিৰ তৰফৰ পৰা এখন ই-আলোচনী প্ৰকাশ কৰাৰ কথাও প্ৰস্তাৱ গ্ৰহণ কৰে। মুম্বাইস্থিত প্ৰবাসী অসমীয়া ৰুমা হাজৰিকাক সেই আলোচনীৰ সম্পাদকৰ দায়িত্ব অৰ্পণ কৰা হয়। সভাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাধ্যাপক ড০ যোগেন চন্দ্ৰ কলিতাই অতি শীঘ্ৰে অষ্ট্ৰেলিয়া, শ্ৰীলংকাত এটাকৈ অসম সাহিত্য সভাৰ শাখা মুকলি কৰাৰ কথা ঘোষণা কৰে। অসম সাহিত্য সভাৰ গ্ৰেট-বৃটেইন শাখাৰ স'তে অসম সাহিত্য সভাৰ সম্পৰ্ক কটকটীয়া কৰি তোলা আৰু বাছিয়াত এটা শাখা মুকলি কৰাৰ কথাও অৱগত কৰে। ইউনেস্ক'ৰ উদ্যোগত অসমত ব্ৰহ্মপুত্ৰ সাহিত্য মহোৎসৱ গঢ়ি তোলাৰ বিষয়েও আলোচনা কৰা হয়। মৈত্ৰীবন্ধন উপ-সমিতিৰ উদ্যোগত কুৱেটত ড০ ভূপেন হাজৰিকাৰ জন্মদিন উদ্‌যাপন কৰাৰ কথাও ৰুমা হাজৰিকাই অৱগত কৰে। চুবুৰীয়া ৰাজ্য মণিপুৰ, মিজোৰাম আৰু অৰুণাচলত অসম সাহিত্য সভাৰ শাখা মুকলি কৰাৰ বিষয়েও সভাত আলোচনা কৰা হয়। সহ-আহ্বায়ক ড০ সীমান্ত বৰুৱাই চলিত মাহতে শিৱসাগৰ জিলাত কেইবাটাও কাৰ্যসূচী অনুষ্ঠিত হ'ব বুলি মন্তব্য কৰে। সভাত দক্ষিণ আফ্ৰিকাকে ধৰি পৃথিৱীৰ বিভিন্ন ঠাইত থকা সাহিত্য সভাৰ শাখাৰ স'তে সংযোগ বৃদ্ধি কৰি অসম সাহিত্য সভাৰ স'তে একেলগে কাম কৰি যোৱাৰ পৰিৱেশ ৰচনা কৰাৰ বিষয়েও বিতং আলোচনা কৰা হয়। উল্লেখ্য যে ২৭ ছেপ্টেম্বৰৰ সন্ধ্যা ৭ বজাত আন এখন গুৰুত্বপূৰ্ণ বৈঠক অনলাইন মাধ্যমত অনুষ্ঠিত কৰাৰ কথাও সভাত সিদ্ধান্ত লোৱা হয়। সভাত ৰমেশ চন্দ্ৰ কাকতি, দয়ানন্দ গোস্বামী প্ৰমুখ্যে আন কেইবাজনো সমিতিৰ সদস্য উপস্থিত থাকে।

সৌৰভ বৰুৱাই। অনু... বন মোৰ অশান্ত মন'... নৃত্য পৰিৱেশন কৰে... দাসে। সুধাকণ্ঠৰ ম... অমৰজ্যোতি চৌধুৰী...

## কে... মহি...

**প্ৰতিবেদক, খোৱাং**... কোটোহাত আজি... সন্দিকৈক সভানেত্ৰী... আৰু ধৰিত্ৰী গোহাঁই... গঠন কৰা হয়। টাই... মৰাণ মহকুমা স... কেইবাগৰাকীও টা...

## যোগেন ...

## বিক্ৰম-...

**প্ৰতিবেদক, খোৱাং,** ... গগৈৰ পৱিত্ৰ স্মৃতি... প্ৰতিযোগিতাত প্ৰথম... যতি বিক্ৰম বৰা আৰু...